# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-07-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN
**:::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শিক্ষাৰ্থীসকলক অত্যাধুনিক তথ্য প্ৰযুক্তিৰ জ্ঞান আহৰণেৰে অমৃত কালৰ সুযোগ্য সন্তান হিচাপে নিজকে গঢ়িবলৈ আহ্বান জনাইছে। তামুলপুৰ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এইদৰে আহ্বান জনায়। তেওঁ কয়, যে ভাৰতীয় পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ সৈতে আধুনিক ব্যৱস্থাৰাজি সংযোজিত হৈছে আৰু দেশৰ শিক্ষা ব্যৱস্থা সলনি হৈছে। প্ৰায় সকলোৰে হাতত থকা মোবাইল ফোনটো জ্ঞানৰ ভাণ্ডাৰলৈ ৰূপান্তৰ হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তা আৰু আধুনিক প্ৰযুক্তিসমূহে জ্ঞান আহৰণৰ যাত্ৰা অধিক খৰটকীয়া কৰিছে। তেওঁ কয় যে সম্প্ৰতি মানুহৰ চিন্তাতকৈ প্ৰযুক্তি আগলৈ গতি কৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিছুদিন পূৰ্বে মুকলি কৰা ৰ'ব'টিক চাৰ্জাৰীৰ দৰে অত্যাধুনিক ব্যৱস্থাসমূহ ইয়াৰ অন্যতম নিদৰ্শন বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই শিক্ষাৰ্থী সমাজক ছফট্ লাৰ্ণিং পাঠ্যক্ৰমত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে গোৰেশ্বৰ মাহাবিদ্যালয়ত চৰকাৰীভাৱে বিজ্ঞান শাখা মুকলি কৰাৰ বাবে অনুমতি  জনোৱা হ'ব বুলি ঘোষণা কৰে। অনুষ্ঠানত হস্ততাঁত বস্ত্ৰমন্ত্ৰী ইউ জি ব্ৰহ্ম, বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়া, বিধায়ক ভৱেশ কলিতা প্ৰমুখ্যে ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে। ০০০০

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত ভাৰতীয় শাস্ত্ৰীয় নৃত্য আৰু সংগীত মহোৎসৱত পণ্ডিত ৰাজেন্দ্ৰ গংগানি আৰু কৰুণাধৰ শৰ্মাক ভাৰতীয় শাস্ত্ৰীয় নৃত্য আৰু সংগীতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০২৫ বৰ্ষৰ ৰসেশ্বৰ শইকীয়া বৰবায়ন সত্ৰীয়া বঁটা প্ৰদান কৰে। এই উপলক্ষে দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে সত্ৰীয়া সংস্কৃতিৰ প্ৰতি প্ৰদৰ্শন কৰা অভূতপূৰ্ব নিষ্ঠা আৰু অসমৰ আধ্যাত্মিক আৰু কলাত্মক ঐতিহ্যৰ ক্ষেত্ৰলৈ ৰসেশ্বৰ শইকীয়া বৰবায়নৰ অনবদ্য অৱদানৰ কথা স্মৰণ কৰে। ৰসেশ্বৰ শইকীয়াৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানত বিশিষ্ট বাহীবাদক তথা পদ্মবিভূষণ সন্মানেৰে বিভূষিত পণ্ডিত হৰিপ্ৰসাদ চৌৰাছিয়া, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি. কল্যান চক্ৰৱৰ্তী, বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী পদ্মভূষণ সন্মানেৰে বিভূষিত যতীন গোস্বামী আৰু সংগীত সত্ৰৰ অধ্যক্ষ স্বপ্ননীল বৰুৱা উপস্থিত থাকে।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি গুৱাহাটীৰ খানাপাৰাত গোপাল বৰবৰা ৰাজ্যিক পঞ্চায়তীৰাজ আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানত নৱগঠিত গ্ৰাম পঞ্চায়ত সভাপতিসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত মন্ত্ৰী দাসে পঞ্চায়ত প্ৰতিনিধিসকলক গ্ৰামাঞ্চলৰ জনসাধাৰণৰ প্ৰতি সংবেদশীলতা প্ৰদৰ্শন কৰিবলৈ আৰু নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে পঞ্চায়তসমূহৰ পৰা জনসাধাৰণৰ বহু আশা আকাংক্ষা আছে আৰু এনে পৰিস্থিতিত তেওঁলোকে জনসেৱাক নিজৰ ধৰ্ম বুলি বিবেচনা কৰা উচিত। অনুষ্ঠানত তেওঁ পঞ্চায়ত পৰিচালনাৰ এখন হাতপুথিও মুকলি কৰে। এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অধীনত ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২ গৰাকী গ্ৰাম পঞ্চায়তৰ সভাপতি, খণ্ড পঞ্চায়তৰ ৩৬৪ গৰাকী

সভাপতি-উপ সভাপতি আৰু ৩৯৭ গৰাকী জিলা পৰিষদৰ সদস্যক পৰ্যায়ক্ৰমে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কাৰ্যসূচীত প্ৰথমে শোণিতপুৰ জিলাৰ গ্ৰাম পঞ্চায়তৰ ৭৫ গৰাকী সভাপতিক প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ডিচেম্বৰৰ প্ৰথম সপ্তাহৰ ভিতৰত সকলো প্ৰতিনিধিৰ প্ৰশিক্ষণ পৰ্যায়ক্ৰমে সম্পূৰ্ণ কৰা হ'ব। অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব মুনীন্দ্ৰ শৰ্মা, শোণিতপুৰ জিলাৰ অতিৰিক্ত আয়ুক্ত জয়ন্ত গোস্বামীৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ খেৰণি আৰক্ষীয়ে আজি কাৰ্বি ছাত্ৰ সন্থাৰ সহযোগত জিলাখনৰ মাজগাঁৱত নিচাজাতীয় দ্ৰব্যসহ এজন যুৱকক আটক কৰে। কাৰ্বি ছাত্ৰ সন্থাৰ তথ্যৰ ভিত্তিত আটক কৰা কংকন তালুকদাৰ নামৰ যুৱকজনৰ পৰা আৰক্ষীয়ে নিচাজাতীয় সামগ্ৰীভৰ্তি চাৰিটা কণ্টেইনাৰ জব্দ কৰে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে যুৱকজনক সোধা-পোছা কৰিছে।

০০০০

টিংখাং সমষ্টিৰ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ বাবে স্বেচ্ছাসেৱী ন্যাস গ্ৰ'থ ফ্ৰম গ্ৰাছ ৰুটছৰ উদ্যোগত আৰু বিধায়ক শৈক্ষিক উপদেষ্টা সমিতিৰ সহযোগত আজিৰে পৰা অন্বেষণ কৰ্মশালা অনুষ্ঠিত হৈছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী তথা টিংখাং সমষ্টিৰ বিধায়ক বিমল বৰাই উদ্বোধন কৰা এই কৰ্মশালাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে ভাষণ দিয়ে। নিজৰ ভাষণত শ্ৰীসোণোৱালে এই ধৰণৰ অভিনৱ পদক্ষেপে শিক্ষাৰ্থীসকলৰ মনোবল, অধ্যৱসায় আৰু দক্ষতা বৃদ্ধিৰ জৰিয়তে প্ৰতিযোগিতাৰ পৃথিৱীত আগুৱাই যোৱাত সহায় কৰিব বুলি মন্তব্য কৰে। ছাত্ৰ-ছাত্ৰীক ভৱিষ্যমুখী চিন্তা-চেতনাৰে উদ্ভাসিত কৰাৰ ক্ষেত্ৰত এয়া এক উল্লেখনীয় পদক্ষেপ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানত সমষ্টিটোৰ অধীনৰ বিদ্যালয়সমূহৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ